# REGIONAL NEWS UNIT

AKASHVANI, GUWAHATI

0000000000

**Date :** 20-04-2024
**Time :** 1715 Hrs

## *Assamese Evening Bulletin*

---

অসম মাধ্যমিক শিক্ষা পৰিষদৰ অধীনত অনুষ্ঠিত হাইস্কুল শিক্ষান্ত পৰীক্ষাৰ ফলাফল আজি ঘোষণা কৰা হৈছে। এইবাৰৰ পৰীক্ষাত মুঠ ৪ লাখ ১৯ হাজাৰ ৭৮ গৰাকী পৰীক্ষাৰ্থী অৱতীৰ্ণ হৈছিল। ইয়াৰে তিনি লাখ ১৭ হাজাৰ ৩১৭ গৰাকী পৰীক্ষাৰ্থী উত্তীৰ্ণ হয়। পৰীক্ষাৰ্থীসকলৰ এক লাখ ৫ হাজাৰ ৮৭৩ গৰাকীয়ে প্ৰথম বিভাগ, এক লাখ ৫০ হাজাৰ ৭৬৪ গৰাকীয়ে দ্বিতীয় বিভাগ আৰু ৬০ হাজাৰ ৬৮০ গৰাকীয়ে তৃতীয় বিভাগ লাভ কৰে। সামগ্ৰিকভাৱে ৭৫ দশমিক ৭ শতাংশ পৰীক্ষাৰ্থী উত্তীৰ্ণ হয়।

ফলাফল অনুসৰি অনুৰাগ দলৈয়ে ৫৯৩ নম্বৰ লাভ কৰি ৰাজ্যৰ ভিতৰতে সৰ্বাধিক লাভ কৰিবলৈ সমৰ্থ হয়। একেদৰে বিশ্বনাথ চাৰিআলিৰ ঝৰ্ণা শইকীয়াই ৫৯০ নম্বৰেৰে নম্বৰ তালিকাত দ্বিতীয় সৰ্বোচ্চ নম্বৰ লাভ কৰে। মাজুলীৰ মানসপ্ৰতিম শইকীয়া, বৰপেটাৰ বেদান্ত চৌধুৰী আৰু নগাঁৱৰ ৰামানুজন ছিনিয়ৰ ছেকেণ্ডাৰী স্কুলৰ দেৱাশ্ৰী কাশ্যপে ৫৮৮ নম্বৰেৰে নম্বৰ তালিকাত তৃতীয় সৰ্বোচ্চ নম্বৰ প্ৰাপ্তিৰ গৌৰৱ অৰ্জন কৰিছে।

জিলাসমূহৰ ভিতৰত চিৰাং জিলাত উত্তীৰ্ণৰ হাৰ সৰ্বোচ্চ হোৱাৰ বিপৰীতে নলবাৰী দ্বিতীয় আৰু বাক্সা তৃতীয় স্থানত আছে। হাইস্কুল শিক্ষান্ত পৰীক্ষাৰ ফলাফল ঘোষণা কৰাৰ পাছতে বিটিআৰৰ মুখ্য কাৰ্যবাহী সদস্য প্ৰমোদ বড়োৱে তামুলপুৰত এখন সংবাদমেলত সম্বোধন কৰি বিটিচিৰ অন্তৰ্গত চিৰাং আৰু বাক্সা জিলাৰ ফলাফলক লৈ সন্তুষ্টি প্ৰকাশ কৰে। শ্ৰীবড়োৱে লগতে শিক্ষাৰ ক্ষেত্ৰত ভৱিষ্যতে আৰু অধিক কৰণীয় আছে বুলি মত প্ৰকাশ কৰে।

ooooo

নিৰ্বাচন আয়োগে ভোটগ্ৰহণৰ দিনা আৰু ইয়াৰ এদিন পূৰ্বে ৰাজ্যিক বা জিলা পৰ্যায়ৰ মিডিয়া চাৰ্টিফিকেশ্বন এণ্ড ম'নিটৰিং কমিটীৰ আগতীয়া অনুমতি অবিহনে ৰাজনৈতিক দল, প্ৰাৰ্থী, সংগঠন বা কোনো ব্যক্তিৰ দ্বাৰা ছপা মাধ্যমত বিজ্ঞাপন প্ৰকাশত বাধা আৰোপ কৰিছে। ভোটগ্ৰহণৰ ঠিক আগমুহূৰ্তত প্ৰকাশ পোৱা বিভ্ৰান্তিকৰ অথবা আপত্তিজনক বিজ্ঞাপনে ক্ষতিগ্ৰস্ত কৰা পক্ষই আত্মপক্ষ সমৰ্থনৰ কাৰণে কোনো সময় বা সুযোগ নোপোৱাৰ পৰিপ্ৰেক্ষিতত নিৰ্বাচন আয়োগে এই স্থিতি গ্ৰহণ কৰিছে। সংবিধানৰ ৩২৪ নম্বৰ অনুচ্ছেদৰ অধীনত প্ৰদত্ত ক্ষমতাৰ প্ৰয়োগেৰে এনে যিকোনো প্ৰকাৰৰ আপত্তিজনক বিজ্ঞাপন প্ৰকাশৰ ঘটনা প্ৰতিৰোধ কৰাৰ বাবে আয়োগে এই নিৰ্দেশ জাৰি কৰিছে।

ooooo

লোকসভা নিৰ্বাচনৰ দ্বিতীয় পৰ্যায়ৰ ভোটগ্ৰহণৰ পৰিপ্ৰেক্ষিতত ৰাজ্যজুৰি ৰাজনৈতিক দলসমূহৰ নিৰ্বাচনী কুচকাৱাজ অব্যাহত আছে। আজি ৰাজ্যৰ জ্যেষ্ঠ বিজেপি নেতা তথা অসমৰ মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই

ভাৰতীয় জনতা পাৰ্টীৰ মনোনীত প্ৰাৰ্থী কৃপানাথ মল্লাহৰ হৈ কৰিমগঞ্জ, বৰখলা, ধলাই ইত্যাদি বৰাক উপত্যকাৰ বিভিন্ন ঠাইত কেইবাখনো নিৰ্বাচনী সভাত অংশগ্ৰহণ কৰে।

ইফালে ৰাজ্যিক জলসম্পদ মন্ত্ৰী পীযূষ হাজৰিকাই মৰিগাঁও জিলাৰ মিকিৰভেটাত অনুষ্ঠিত এখন নিৰ্বাচনী প্ৰচাৰ সভাত অংশগ্ৰহণ কৰে। সভাত মৰিগাঁও সমষ্টিৰ বিধায়ক ৰমাকান্ত দেউৰীৰ লগতে দলীয় কৰ্মকৰ্তাসকলেও অংশগ্ৰহণ কৰে। সভাত মন্ত্ৰীগৰাকীয়ে বিজেপি দলৰ নিৰ্বাচনী সংকল্পসমূহ জনসাধাৰণক অৱগত কৰে।

আনহাতে নগাঁও সমষ্টিৰ কংগ্ৰেছ প্ৰাৰ্থী প্ৰদ্যুৎ বৰদলৈয়ে ৰহা বিধানসভা সমষ্টিৰ কচুৱা তিনিআলিত অনুষ্ঠিত এখন নিৰ্বাচনী সভাত অংশগ্ৰহণ কৰে। প্ৰাৰ্থীগৰাকীয়ে বিৰোধী পক্ষক কঠোৰ ভাষাৰে সমালোচনা কৰি জনসাধাৰণক বিবেকৰ দ্বাৰা পৰিচালিত হৈ ভোটদান কৰিবলৈ আহ্বান জনায়।

00000

অসমৰ খিলঞ্জীয়া জনগোষ্ঠী চুতীয়াসকলৰ শেষৰগৰাকী ৰাণী তথা চুতীয়া জাতিৰ শৌৰ্য-বীৰ্য আৰু সাহসৰ প্ৰতীক সতি সাধিনীৰ আজি ৫০০ সংখ্যক স্মৃতি দিৱস ৰাজ্যজুৰি পালন কৰা হৈছে। এই উপলক্ষে মহিয়সীগৰাকীলৈ সশ্ৰদ্ধ প্ৰণিপাত জনাই কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱালে কয় যে, অতুলনীয় ত্যাগ, স্বদেশপ্ৰেম আৰু পৰাক্ৰমৰ প্ৰতীক বীৰাংগনা সতি সাধিনী নাৰী শক্তিৰ এক উজ্বল নিৰ্দশন। চুতীয়া সাম্ৰাজ্যৰ ৰাণীগৰাকীৰ বৰ্ণাঢ্য জীৱনগাঁথাই বৃহত্তৰ অসমীয়া জাতিক সদায় অনুপ্ৰাণিত কৰি থাকিব বুলি প্ৰকাশ কৰি কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে বীৰাংগনাগৰাকীক শ্ৰদ্ধা প্ৰদৰ্শন কৰে।

00000

প্ৰথম পৰ্যায়ৰ লোকসভা নিৰ্বাচন কালি দুই এটা বিক্ষিপ্ত ঘটনাৰ বাহিৰে প্ৰায় শান্তিপূৰ্ণভাৱে সম্পন্ন হয়। এই পৰ্যায়ত ২১ খন ৰাজ্য আৰু কেন্দ্ৰীয়শাসিত অঞ্চলৰ ১০২ টা সমষ্টিত হোৱা নিৰ্বাচনত সামগ্ৰিকভাৱে ৬৮ শতাংশৰো অধিক ভোটদান হয়। অসমৰ ৫ টা সমষ্টিৰ বাবে কালি অনুষ্ঠিত ভোটগ্ৰহণৰ তথ্য অনুসৰি ৭৫ দশমিক ৯-৫ শতাংশ ভোটদাতাই ভোটৰ অধিকাৰ সাব্যস্ত কৰে। উত্তৰ পূৰ্বাঞ্চলৰ মণিপুৰত ৭২ দশমিক ১-৭ শতাংশ, ছিকিমত ৮০ শতাংশৰ অধিক, অৰুণাচল প্ৰদেশত ৭২ শতাংশৰ অধিক, মেঘালয়ত প্ৰায় ৭৪ শতাংশ, মিজোৰামত ৫৬ শতাংশৰ অধিক, নাগালেণ্ডত প্ৰায় ৫৭ শত্ংশ আৰু ত্ৰিপুৰাত সৰ্বাধিক ৮১ শতাংশৰো অধিক লোকে ভোটদান কৰে। একেদৰে বিহাৰত ৪৮ দশমিক ৮-৮, ছত্তিশগড়ত ৬৭ দশমিক ৫-৬, উত্তৰ প্ৰদেশত ৬০ দশমিক ২-৫, মহাৰাষ্ট্ৰত ৬১ দশমিক ৮-৮, ৰাজস্থানত ৫৭ দশমিক ২-৫, ৬-২ আৰু পশ্চিম বংগত ৮১ দশমিক ৯-১ শতাংশ ভোটদাতাই ভোটদান কৰে।

00000

সমাপ্ত